অধ্যায় ৩ ঃ ভাৰতীয় মূলধনী বজাৰ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ মূলধনী বজাৰৰ অর্থ আৰু গঠন

- ৩.৩.১ ঔদ্যোগিক প্রতিভূতি বজাৰ
- ৩.৩.২ চৰকাৰী প্রতিভূতি বজাৰ
- ৩.৩.৩ দীর্ঘম্যাদী ঋণ বজাৰ

৩.৪ মূলধনী বজাৰৰ আহিলাসমূহ

৩.৫ মূলধনী বজাৰৰ মধ্যস্থতাকাৰী

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —


- মূলধনী বজাৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- মূলধনী বজাৰৰ বিভিন্ন আহিলা সমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- মূলধনী বজাৰৰ খত পত্র আৰু মধ্যস্থতাকাৰী সম্পর্কে ব্যাখ্যা দাঙি ধৰিব পাৰিব

৩.২ পৰিচয় (INTRODUCTION)

সংঘবদ্ধ ব্যৱস্থা প্রতিষ্ঠান বা কর্পৰেট প্রতিষ্ঠানবিলাকক ভিন ভিন সময়ত ভিন ভিন আঁচনিৰ বাবে পুঁজিৰ আৱশ্যক হয়। বিনিয়োগকাৰীসকলৰ পছন্দ বা অগ্রাধিকাৰ আৰু আইনী বিধি-বিধানৰ পৰিসৰৰ ওপৰত নির্ভৰ কৰি তেওঁলোকে নিজৰ পুঁজি গঠন কৰে। ব্যৱসায়ত দুই ধৰণৰ পুঁজিৰ আৱশ্যক হয়, যেনে— হ্রস্বকালীন পুঁজি আৰু দীর্ঘকালীন পুঁজি। মূলধনী বজাৰৰ জৰিয়ত দীর্ঘকালীন পুঁজিৰ প্রয়োজন পূৰণ কৰা হয়। এই অধ্যায়টোৰ জৰিয়তে আপোনালোকে মূলধনী বজাৰ আৰু ইয়াৰ খত বা চুক্তি পত্রৰ অর্থ সম্পর্কে জানিব পাৰিব। মূলধনী বজাৰৰ মধ্যস্থতাকাৰীৰ বিষয়েও ইয়াত আলোচনা কৰা হৈছে। সেয়েহে এই অধ্যায়টোৰ জৰিয়তে আপোনালোকে মূলধনী বজাৰৰ অর্থ, খত বা চুক্তি পত্র আৰু ইয়াৰ মধ্যস্থতাকাৰীৰ বিষয়ে জানিব পাৰিব।

৩.৩ মূলধনী বজাৰৰ অর্থ আৰু গঠন (MEANING AND STRUCTURE OF CAPITAL MARKET)

মূলধনী বজাৰত দীর্ঘ-ম্যাদী বিত্তৰ ক্রয়-বিক্রয় কৰা হয়। দীর্ঘ ম্যাদী পূর্ণতাৰ প্রতিভূতিসমূহ এই বজাৰত লেনদেন কৰা হয়। মূলধনী বজাৰত বিভিন্ন বিত্তীয় আহিলাসমূহ যেনে— অংশ, ঋণপত্র, বস্তুত আদি বিলিৰ জৰিয়তে দীর্ঘ-ম্যাদী পুঁজি সংগ্রহ কৰা হয়। ভাৰতীয় মূলধনী বজাৰৰ গাঁথনিটো তলত দিয়া ধৰণৰ—



৩.৩.১ ঔদ্যোগিক প্রতিভূতি বজাৰ (Industrial Securities Market)

ঔদ্যোগিক প্রতিভূতি বজাৰত ঔদ্যোগিক প্রতিষ্ঠানসমূহে বিলি কৰা বিভিন্ন প্রতিভূতি যেনে সমাংশ অংশ, অগ্রাধিকাৰযুক্ত অংশ আদি লেনদেন কৰা হয়। এই বজাৰক পুনৰ দুটা ভাগত ভগাব পাৰি—

(ক) নতুন বিলি বজাৰ বা প্রাথমিক বজাৰ; আৰু

(খ) গৌণ বজাৰ বা প্রতিভূতি বিনিময় কেন্দ্র।

নতুন বিলি বজাৰ এনেকুৱা এখন বজাৰ য'ত প্রথমবাৰৰ বাবে বিলি কৰা প্রতিভূতিসমূহ বিক্রী কৰা হয়। নতুন বিলি বজাৰৰ অংশগ্রহণকাৰীসমূহ হ'ল— মাৰছেণ্ট বেংকাৰ (Merchant Bankers), সংগ্রহকাৰী আৰু সমন্বয়ী বেংকাৰ, বিলি পঞ্জীয়ক (Registrar to the issue), আর্থিক জামিনদাতা (Under writers) ইত্যাদি।

গৌণ বজাৰত পুৰণি অর্থাৎ যিবিলাক প্রতিভূতি ইতিমধ্যে নতুন বিলি বজাৰত বিক্রী হৈ গৈছে, সেইবিলাক ক্রয়-বিক্রয় কৰা হয়। এই বজাৰখনে প্রতিভূতিসমূহক

তাৰল্যতা আৰু হস্তান্তৰযোগ্যতা প্ৰদান কৰে। বৰ্তমান ভাৰতবৰ্ষত ২৫টা প্ৰতিভূতি বিনিময় কেন্দ্ৰ আছে।

৩.৩.২ চৰকাৰী প্ৰতিভূতি বজাৰ (Government Securities Market)

চৰকাৰী প্ৰতিভূতি বজাৰক গিল্ট-এড্‌ছ প্ৰতিভূতি বজাৰ বুলিও কোৱা হয়। এই বজাৰত চৰকাৰে বিলি কৰা দীৰ্ঘ-ম্যাদী প্ৰতিভূতিসমূহ ক্ৰয়-বিক্ৰয় কৰা হয়। এই প্ৰতিভূতিসমূহ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, অৰ্ধ চৰকাৰী প্ৰতিষ্ঠান যেনে পৌৰ নিগম আদি ইলেকট্ৰিচিটি বোৰ্ড, সৰ্বভাৰতীয় আৰু ৰাজ্যিক বিত্তীয় প্ৰতিষ্ঠান আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহে বিলি কৰে।


৩.৩.৩ দীৰ্ঘ-ম্যাদী ঋণ বজাৰ (Long-term Loan Market)

এই বজাৰৰ জৰিয়তে উন্নয়নী বেংক আৰু বাণিজ্যিক বেংকসমূহে ঔদ্যোগিক প্ৰতিষ্ঠানসমূহক দীৰ্ঘ-ম্যাদী ঋণৰ যোগান ধৰে। এই বজাৰক নিম্নলিখিত ভাগত ভগাব পাৰি—

(ক) ম্যাদী ঋণ বজাৰ, (খ) বন্ধকী বজাৰ, (গ) গ্যাৰাণ্টী বজাৰ।

৩.৪ মূলধনী বজাৰৰ আহিলাসমূহ (CAPITAL MARKET INSTRUMENT)

মূলধনী বজাৰ হৈছে সেইখন বজাৰ য'ত দীৰ্ঘকালীন পুঁজিৰ লেনদেন হয়। বিভিন্ন ধৰণৰ প্ৰতিভূতি (securities) যেনে অংশপত্ৰ (share), ঋণপত্ৰ (debenture), দলিল (bond), ইত্যাদিৰ ৰূপত পুঁজিৰ লেনদেন হয়। কোম্পানীয়ে এই আহিলাসমূহৰ (instrument) দ্বাৰা মূলধনী বজাৰৰ পৰা তেওঁলোকৰ প্ৰয়োজনীয় পুঁজি সংগ্ৰহ কৰে। মূলধনী বজাৰ দুটা অংশত বিভক্ত ঃ (ক) নতুন প্ৰতিভূতিৰ বজাৰ যি নতুন প্ৰতিভূত্তি আৰু অংশপত্ৰ বিক্ৰীৰ সৈতে জড়িত আৰু (খ) সাধাৰণ বজাৰ (secondary market) বা ষ্টক এক্সচেঞ্জ যি পুৰণা প্ৰতিভূতি আৰু অংশপত্ৰৰ কিনা-বেচা কৰে। মূলধনী বজাৰৰ আহিলাসমূহক তিনিটা শাখাত বিভক্ত কৰিব পাৰি যেনে— বিশুদ্ধ (pure), দ্বিজাতীয় (hybrid) আৰু উপজাত (derivatives)। বিশুদ্ধ আহিলাবিলাক হৈছে সমাংশ অংশ, অগ্ৰাধিকাৰ যুক্ত অংশ আৰু ডিবেন্সাৰ অথবা ব'ণ্ডবিলাক য'ত অন্য উপাদান মিশ্ৰিত হৈ নাথাকে। দ্বিজাতীয় আহিলাবিলাক হৈছে সমাংশ অংশৰ লগত সংমিশ্ৰিত ব'ণ্ড, অগ্ৰাধিকাৰ যুক্ত অংশ আদি। উপজাত আহিলাবিলাক আন একো নহয় বৰঞ্চ একোটা চুক্তি যি এক বা ততোধিক অন্য বিত্তীয় আহিলাৰ মূল্যৰ পৰা নিজৰ মূল্য উলিয়ায়। উপজাতবিলাকৰ বিভিন্ন শাখাত ভৱিষ্যৎ আৰু বিভিন্ন বিকল্প অন্তৰ্নিহিত থাকে।



(ক) **সমাংশ অংশ বা সাধাৰণ অংশ (Equity or Ordinary Shares) ঃ** ই মালিকীস্বত্বৰ মূলধনক প্ৰতিনিধিত্ব কৰে। এই অংশ বিভিন্ন ধৰণৰ থাকে ঃ

কৰ্তৃত্বশীল সমাংশ অংশ কেপিটেল (Authorized Equity Shares Capital) ঃ একোটা কোম্পানীয়ে বৃদ্ধি কৰিব পৰা সৰ্বাধিক পৰিমাণৰ অংশপত্ৰিক মূলধন (Share Capital) হৈছে ইয়াৰ কৰ্তৃত্বশীল অংশীদাৰী মূলধন।

জাৰি কৰা মূলধন (Issued Capital) ঃ ই হৈছে মূলধনৰ সেই অংশটো যাক কোম্পানীয়ে বিনিয়োগকাৰীসকলক দিয়ে।

বৰঙণিৰ মূলধন (Subscrided Capital) ঃ ই হৈছে জাৰি কৰা মূলধনৰ সেই অংশটো যিটো বিনিয়োগকাৰীসকলৰ বৰঙণি।

পৰিশোধ কৰা মূলধন (Paid-up Capital) ঃ ই হৈছে অংশীদাৰসকলে পৰিশোধ কৰা মূলধন।

এইবিলাকৰ মূল প্ৰকৃতিবিলাকৰ ভিতৰত আছে সীমিত দায়বদ্ধতা, উপাৰ্জনৰ অৱশিষ্টৰ দাবী, নিয়ন্ত্ৰণৰ অধিকাৰ, আগতীয়াকৈ ক্ৰয় কৰিব পৰা অধিকাৰ।

(খ) **অগ্ৰাধিকাৰ যুক্ত অংশ (Preference Shares) ঃ** এই অংশ বা শ্বেয়াৰও সমাংশ অংশ আৰু ঋণপত্ৰ (debenture)ৰ কেতবোৰ নিৰ্দিষ্ট বৈশিষ্ট্য থাকে। ই এক স্থিৰ সুতৰ হাৰ বহন কৰে। এই অংশত সমাংশ অংশৰ তুলনা অনুসৰি লভ্যাংশ পোৱাৰ অগ্ৰাধিকাৰ

ভিত্তিত অধিকাৰ থাকে। অগ্ৰাধিকাৰ অংশীদাৰসকলে সংগৃহীত লভ্যাংশ পাব পাৰে অৰ্থাৎ পৰিশোধ নকৰা সকলো লভ্যাংশ পৰিশোধ কৰিব লাগে। এনে অংশীদাৰৰ কোনো ধৰণৰ ভোটাধিকাৰ নাথাকে। কিন্তু গোট খোৱা বা সংগৃহীত হোৱা অংশবিলাকৰ ক্ষেত্ৰত যদিহে দুবছৰতকৈ অধিক কাল ধৰি অগ্ৰাধিকাৰ অংশ পৰিশোধ কৰা নহয়, তেতিয়া অগ্ৰাধিকাৰ অংশীদাৰে ভোট দিব পাৰে।

(গ) **ঋণপত্ৰ বা ব'ণ্ড বা নোট (Debentures or Bonds or Notes) ঃ** ঋণপত্ৰধাৰীসকল হৈছে দীৰ্ঘকালীন ঋণদাতা। ঋণপত্ৰধাৰীসকলে স্থিৰ সুতৰ হাৰ লাভ কৰে আৰু চুক্তিবদ্ধ সময়মতে মূলধন ৰাশি পুনৰ পৰিশোধ কৰে। বৰ্তমান ভাৰতত তিনি ধৰণৰ ঋণপত্ৰ পোৱা যায় ঃ

(১) ৩৬ মাহৰ পাছত পৰিবৰ্তন কৰিব পৰা ঋণপত্ৰ,

(২) ৩৬ মাহৰ ভিতৰত ইচ্ছামতে পৰিবৰ্তন কৰিব পৰা ঋণপত্ৰ,

(৩) ১৮ মাহৰ ভিতৰত বাধ্যতামূলকভাৱে পৰিৱৰ্তনীয়।

(ঘ) **সংশোধনযোগ্য ঋণ বা খতপত্ৰ (Innovative debt or instrument) ঃ** ঋণপত্ৰ বাধ্যতামূলক, ঐচ্ছিক বা পৰিৱৰ্তনীয় হ'ব পাৰে। আহ্বান কৰিব পৰাৰ বিকল্পই ব'ণ্ডবিলাক পৰিপূৰ্ণ হোৱাৰ আগতেই খালাচ কৰাৰ সুযোগ কোম্পানীক দিয়ে। প্ৰতিষ্ঠানবিলাকে এনেধৰণৰ ব'ণ্ড জাৰি কৰে আৰু লাভজনক পৰিস্থিতিত তেওঁলোকে ইয়াক পৰিশোধ কৰে।

একোটা ৱাৰেণ্টে (warrant) এছোৱা নিৰ্দিষ্ট সময়ত সমাংশ অংশ ক্ৰয় কৰাৰ অধিকাৰ প্ৰদান কৰে। জিৰ' কুপনৰ ব'ণ্ডবিলাকৰ (zero coupon bonds) কোনো কুপন হাৰ (coupon rate) নাথাকে আৰু ইবিলাকৰ পৰিপূৰ্ণতাৰ মূল্য (maturity value)ৰ পৰা ৰেহাই মূল্যত বিক্ৰী কৰা হয়।

অধিক ৰেহাই মূল্যৰ ব'ণ্ডবিলাক (deep discount bonds) পৰিপূৰ্ণতাৰ ধনতকৈ বহু কম হাৰত ইয়াৰ মৌখিক মূল্যতকৈ ৰেহাই হাৰত জাৰি কৰা হয়।

অস্থিৰ হাৰৰ ব'ণ্ডবিলাক (floating rate bonds) এনেকুৱা ব'ণ্ড যাৰ সুতৰ হাৰ স্থিৰ কৰা নহয় আৰু ই হৈছে নিৰ্দ্ধাৰিত সুতৰ হাৰতকৈ (benchmark rate) অধিক শতকৰা হাৰৰ একোটা বিন্দু। বেঞ্চমাৰ্ক সুতৰ হাৰ হৈছে ট্ৰেজাৰী বিল, বেংক ৰে'টৰ ওপৰত আৰোপিত সুতৰ হাৰ আৰু চৰ্তসাপেক্ষ জমা ধন (term deposit)ৰ সৰ্বাধিক সুতৰ হাৰ।

(ঙ) **পৰৱৰ্তী চুক্তি (Forward Contracts) ঃ** ই হৈছে একোটা সম্পত্তিৰ ভৱিষ্যতৰ একোটা নিৰ্দ্ধাৰিত তাৰিখত নিৰ্দ্ধাৰিত দামত ক্ৰয় বা বিক্ৰয়ৰ এক চুক্তি। ইয়াত ক্ৰেতাজনে এক দীৰ্ঘ সময় লয় আৰু ভৱিষ্যতৰ এক নিৰ্দ্ধাৰিত তাৰিখত এক নিৰ্দ্ধাৰিত দামত ক্ৰয় কৰিবলৈ সন্মত হয় আৰু আনটো পক্ষই নিৰ্দ্ধাৰিত দামত একে তাৰিখত বিক্ৰী কৰিবলৈ কম সময় পায়। এইবিলাক ষ্টক এক্সেচেঞ্জৰ বাহিৰত লেনদেন কৰা হয়।

(চ) **ভৱিষ্যৎ বা ভৱিষ্যতৰ চুক্তি (Futures or Future Contracts) ঃ** ই হৈছে ভৱিষ্যতৰ এক নির্দিষ্ট সময়ত এক নির্দিষ্ট দামত একোটা সম্পত্তি কিনা বা বেচাৰ বাবে দুটা পক্ষৰ মাজত হোৱা এক চুক্তি। অগ্ৰৱর্তী (forward) বজাৰৰ সৈতে জড়িত হৈ থকা বিভিন্ন সমস্যা ই সমাধান কৰে। ভৱিষ্যতৰ চুক্তিত দেখা দিয়া প্ৰতিপক্ষৰ আশংকা ই হ্ৰাস কৰে। ভৱিষ্যতৰ চুক্তিবিলাক (future contracts)ৰ লেনদেন এক সংগঠিত ষ্টক মার্কেটত হয় আৰু অগ্ৰৱর্তী চুক্তি (forward contract) প্ৰতিপক্ষৰ প্ৰকৃতিৰ ওপৰত নির্ভৰ কৰি হয়। ভৱিষ্যতৰ চুক্তিবিলাক হৈছে নির্দ্ধাৰিত নিৰিখৰ (standardized) চুক্তি যি দৈনন্দিন বন্দোবস্তি অনুসৰণ কৰে। অগ্ৰৱর্তী চুক্তিবিলাক (forward contracts) হৈছে প্ৰচলিত (customized) চুক্তি যাৰ চর্ত আৰু বন্দোৱস্তিবিলাক নির্দিষ্ট সময়ৰশেষত ধার্য কৰা হয়।

(ছ) **ইচ্ছা বা ইচ্ছাধীন চুক্তি (Options or Option Contracts) ঃ** অগ্ৰৱর্তী চুক্তি আৰু ভৱিষ্যৎ চুক্তিত দুয়োটা পক্ষই কিছুমান কাম কৰিবলৈ সংকল্পবদ্ধ থাকে। আনহাতে ইচ্ছাধীন চুক্তিৰ ক্ষেত্ৰত পক্ষবিলাক কিছুমান কাম কৰাৰ ক্ষেত্ৰত ইচ্ছা কৰা নকৰাৰ সুযোগ লাভ কৰে। অগ্ৰৱর্তী চুক্তি আৰু ভৱিষ্যৎ চুক্তিত যিকোনো দৰ বা ব্যয় জড়িত হৈ থাকে। কিন্তু ইচ্ছাধীন চুক্তিত অনাগত সময়ত পৰিশোধ কৰিবলগীয়া থাকে। ইচ্ছাধীন চুক্তিবিলাক দুই ধৰণৰ ওভতাই বিচৰাৰ ইচ্ছা (call option) আৰু ৰাখি থোৱাৰ ইচ্ছা (put option)। ওভতাই বিচৰাৰ ইচ্ছা বা call optionৰ ক্ষেত্ৰত একোটা নির্দিষ্ট দামত একোটা সম্পত্তি ক্ৰয় কৰাটো বাধ্যতামূলক নহয়। ৰাখি থোৱাৰ ইচ্ছাৰ ক্ষেত্ৰত (put option) অংশীদাৰে নির্দিষ্ট তাৰিখৰ ভিতৰত নির্দিষ্ট দামত একোটা সম্পত্তি বিক্ৰী কৰাটো বাধ্যতামূলক নহয়।

৩.৫ মূলধনী বজাৰৰ মধ্যস্থতাকাৰী (CAPITAL MARKET INTERMEDIARIES)

বিত্তীয় বজাৰৰ দুটা অংশ আছে, মুদ্ৰাৰ বজাৰ (money market) আৰু মূলধনী বজাৰ (capital market)। মূলধনী বজাৰৰ দুটা আনুষংগিক অংশ হৈছে প্ৰতিভূতিৰ বজাৰ (securities market) আৰু ধাৰ লোৱা আৰু দিয়াৰ অন্য ধৰণৰ বজাৰবিলাক। প্ৰতিভূতিৰ বজাৰখন আকৌ দুটা ভাগত বিভক্ত হৈছে— প্ৰাথমিক বজাৰ (primary market) আৰু গৌণ বজাৰ (secondary market)।

প্ৰাথমিক বজাৰত নতুন প্ৰতিভূতি বিক্ৰী হয়। প্ৰাথমিক বজাৰৰ মধ্যস্থতাকাৰীসকল হৈছে—

(ক) মার্চেণ্ট বেংকাৰ বা লীড মেনেজাৰ

(খ) বিনিয়োগ প্ৰত্যাভুতি (Underwriter)

(গ) ঋণপত্ৰৰ জিম্মাদাৰ (Debenture Trustee)

(ঘ) পঞ্জীয়ক আৰু অংশ স্থানান্তৰকৰণ প্ৰতিনিধি (Registrars and Share Transfer Agents)

(ঙ) বেংকাৰ

মূলধনী বজাৰৰ মধ্যস্থতাকাৰীসকল হৈছে বিনিয়োগকাৰী, প্ৰবৰ্ত্তক (issuer) আৰু নিয়ন্ত্ৰক (regulator) ৰ মাজৰ সক্ৰিয় যোগাযোগকাৰী। বিনিয়োগকাৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ আৰু তেওঁলোকৰ উন্নতি সাধনৰ উদ্দেশ্যে Securities and Exchange Board of India Act, 1992 প্ৰস্তুত কৰা হয়। মধ্যস্থতাকাৰীসকলৰ কাম-কাজ ভাল হৈছেনে নাই তাৰ ওপৰত এই আইনখনে অহৰহ চকু ৰাখে।

প্ৰাথমিক বজাৰ (secondary market)ত নতুন প্ৰতিভূতিবিলাকৰ লেনদেন হয়। সাধাৰণ বজাৰৰ মধ্যস্থতাকাৰীসকল হৈছে—

(ক) পৰ্টফলিঅ' মেনেজাৰ

(খ) দালাল (Stock Broker)

(গ) উপ-দালাল (Sab-braker)

(ঘ) তত্ত্বাৱধায়ক (Custodian)

প্ৰাথমিক বজাৰৰ মধ্যস্থতাকাৰী (Primary Market Intermediaries) ঃ

(ক) মাৰ্চেণ্ট বেংকাৰ (Merchant Banker) বা লীড মেনেজাৰ (Lead Managers) ঃ মাৰ্চেণ্ট বেংকাৰসকল হৈছে সংঘবদ্ধ ব্যৱসায়ৰ মূল সমিতি আৰু ই প্ৰতিভূতি (security) বিলাক মোকলাই দিয়ে। ই প্ৰতিভূতি মোকলাই দিয়া কোম্পানীৰ প্ৰবন্ধক বা পৰামৰ্শদাতা হিচাপে কাম কৰে। একোজন মাৰ্চেণ্ট বেংকাৰৰ SEBI (Merchant Bankers) Regulations, 1992ৰ ৩নং বিধিৰ অধীনত বাধ্যতামূলক পঞ্জীয়ন থাকিব লাগে। এই কাৰ্যকলাপবিলাকত প্ৰধানকৈ মূলধনৰ গাঁথনি নিৰ্দ্ধাৰণ, কাৰ্যপ্ৰণালীৰ আনুষ্ঠানিকতা বজাই ৰখা, পঞ্জীয়ন স্থিৰ কৰা, প্ৰতিভূতিৰ তালিকা কৰা, বীমা চুক্তিৰ ব্যৱস্থাপনা, দালাল, বেংকাৰ, প্ৰচাৰ আৰু বিজ্ঞাপন প্ৰতিনিধি বাছনি, প্ৰতিভূতিৰ বেচৰকাৰী সংস্থাপন, উপদেশমূলক সেৱা ইত্যাদি অন্তৰ্ভুক্ত থাকে। বিনিয়োগকাৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ সৰ্বতোপ্ৰকাৰৰ চেষ্টা চলাবৰ বাবে মাৰ্চেণ্ট বেংকাৰসকল দায়বদ্ধ। মাৰ্চেণ্ট বেংকাৰসকলে বিধিসম্মত মনোযোগ দিব লাগে, সমন্বয় আৰু মৰ্যাদাৰ উচ্চ মান বজাই ৰাখিব লাগে। প্ৰযোজ্য হ'বলগীয়া বিধি-বিধান আৰু নিৰ্দেশনাবিলাকৰ বিষয়ে বিপথে পৰিচালিত নকৰাকৈ যথাৰ্থ তথ্য দিবলৈও মাৰ্চেণ্ট বেংকাৰসকল দায়বদ্ধ। আগশাৰীৰ প্ৰবন্ধক (lead manager) হিচাপে কাম কৰা মাৰ্চেণ্ট বেংকাৰৰ দ্বাৰা সকলো ৰাজহুৱা অংশৰ লেনদেন পৰিচালিত হোৱাটো বৰ্তমান বাধ্যতামূলক কৰা হৈছে।

(খ) বিনিয়োগ জামিনদাৰ (Underwriter) ঃ একোজন বিনিয়োগ জামিনদাৰ একোজন ব্যক্তি, দালাল, মাৰ্চেণ্ট বেংকাৰ, বিত্তীয় প্ৰতিষ্ঠান বা বেংক যিকোনো হ'ব পাৰে। বিনিয়োগ জামিনদাৰ চুক্তি (underwriting) হৈছে অংশ বিলি কৰা কোম্পানী (issuing company)

আৰু ভৱিষ্যতৰ আশ্বাস দিয়া পক্ষ (assuring party)ৰ মাজৰ এক চুক্তি। এই চুক্তিৰ জৰিয়তে বিনিয়োগ জামিনদাৰে এক নির্দ্ধাৰিত পৰিসৰলৈকে অংশ (shares) বা ঋণপত্ৰ (debentures) বা অন্যান্য প্ৰতিভূতি (securities) ল'বলৈ দিয়া হয়। যদিহে জনসাধাৰণে এই প্ৰতিভুতি ক্ৰয় নকৰে।

চুক্তিত নির্দ্ধাৰিত দস্তৰি (commission)-তকৈ অধিক কোনোধৰণৰ মুনাফা বিনিয়োগ জামিনদাৰে ল'ব নোৱাৰিব। কোনো কোম্পানীৰ অংশ ক্ৰয় কৰিবলৈ যদি এজন বিনিয়োগ জামিনদাৰক আহ্বান জনোৱা হয়, তেন্তে চুক্তি অনুসৰি তেওঁ এনে আহ্বান পোৱাৰ ৪৫ দিনৰ ভিতৰত প্ৰতিভূতি ক্ৰয় কৰিব লাগিব।

(গ) **ঋণপত্ৰৰ জিম্মাদাৰ (Debenture Trustees) ঃ** প্ৰতিভুতি বিলি কৰা কোম্পানীয়ে সঠিক ব্যৱস্থাপনা কৰিব লাগে আৰু বিনিয়োগকাৰীসকলৰ হৈ আইনসংগত আৱশ্যকতা অনুসৰি কাম কৰিব লাগে। এক চুক্তিৰ অধীনত এক মাচুল লোৱাৰ বিনিময়ত কোম্পীনয়ে বিনিয়োগকাৰীৰ বাবে এইখিনি সেৱা আগবঢ়ায়। এই চুক্তি জিম্মাদাৰ (trustee)ৰ সৈতে ন্যাস দলীল হিচাপে কার্যকৰী হয়। জিম্মাদাৰসকল সাধাৰণতে বেংক আৰু বিত্তীয় প্ৰতিষ্ঠান হয় আৰু এই চুক্তি কোম্পানীৰ পঞ্জীয়কৰ ওচৰত দাখিল কৰা হয়। ঋণপত্ৰৰ জিম্মাদাৰসকলৰ প্ৰধান কাম হৈছে ন্যাস দলীল অনুসৰি ন্যাস সম্পত্তিৰ ব্যৱস্থা কৰা, কৰ্পৰেট বর্ডিৰ পৰা সময়ে সময়ে তথ্য লোৱা, সুতৰ নিশ্চয়তাত জোৰ দিয়া, ঋণপত্ৰধাৰকসকলক (debentureholders) সুৰক্ষা দিয়া, হিচাপ-নিকাচ পৰীক্ষা কৰা, ন্যাস দলীলৰ কোনো চুক্তি ভংগ হ'লে SEBIক অৱগত কৰা ইত্যাদি।

(ঘ) **পঞ্জীয়ক আৰু অংশ স্থানান্তৰকৰণ প্ৰতিনিধি (Registrars and share transfer agents) ঃ** পঞ্জীয়ক আৰু অংশ স্থানান্তৰকৰণ প্ৰতিনিধিসকল হৈছে বিনিয়োগকাৰীৰ বাবে নতুন মূলধনৰ ব্যৱস্থা কৰা, তথ্য-পাতি চোৱা-চিতা কৰা, আবণ্টনৰ ভিত্তি নির্দ্ধাৰণ কৰা ইত্যাদিৰক্ষেত্ৰত অত্যন্ত গুৰুত্বপূর্ণ মধ্যস্থতাকাৰী। অংশ স্থানান্তৰ কৰা, বিক্ৰী কৰাৰ ক্ষেত্ৰত তেওঁলোক অত্যন্ত আৱশ্যকীয় কিয়নো ই বিনিয়োগকাৰীসকলৰ বিনিয়োগৰ তাৰল্য ৰক্ষা কৰাত সহায় কৰে। চলি থকা কোম্পানীৰ প্ৰতিও তেওঁলোকে এই সেৱা আগবঢ়ায়। কিন্তু মজুতকৰণ প্ৰক্ৰিয় (depository system) আৰম্ভ হোৱাৰ লগে লগে এই দায়বদ্ধতা হ্ৰাস পায়। কিন্তু পুৰণা প্ৰক্ৰিয়াটো সম্পূর্ণৰূপে শেষ নোহোৱা পর্যন্ত আৰু অংশীদাৰিত্ব পুৰণা পদ্ধতিৰ পৰা সম্পূর্ণৰূপে মুক্ত নোহোৱালৈকে অংশ স্থানান্তৰকাৰী প্ৰতিনিধিসকলে তেওঁলোকৰ ভূমিকা পালন কৰিব লাগিব।

একোটা issueৰ পঞ্জীয়ক (Registrar) মানে হৈছে, যিকোনো লোক যাক কোম্পানী বা এদল লোকে নিযুক্ত কৰে আৰু কোম্পানী বা লোকসকলৰ হৈ যি আবেদন সংগ্ৰহ, তথ্য-পাতি চোৱা-চিতা কৰা, প্ৰতিভূতিৰ আবণ্টনৰ প্ৰাথমিকতা নির্দ্ধাৰণ, ইয়াৰ তালিকা চূড়ান্ত কৰা, আবণ্টন পত্ৰ প্ৰস্তুত আৰু বিতৰণ ইত্যাদি কামবিলাক কৰে।

অংশ স্থানান্তৰ প্ৰতিনিধি (Share Transfer Agent) মানে হৈছে যিকোনো

ব্যৱসায়িক প্ৰতিষ্ঠানৰ হৈ প্ৰতিভূতিধাৰাক (holder of security)ৰ তথ্য যুগুত কৰা লোক। ইয়াৰ সৈতে জড়িত সকলো বিষয়ৰ সৈতে তেওঁলোকে লেনদেন কৰে যেনে উদ্ধাৰ (redemption), প্ৰতিভূতিৰ স্থানান্তৰ ইত্যাদি। ই এক লাখৰ অধিক পৰিমামে মোকলাই দিয়া সৰ্বমুঠ প্ৰতিভূতিধাৰীৰ কাৰ্যকলাপ সম্পাদন কৰা বডি কৰ্পৰেটৰ বিভাগ হ'ব পাৰে।

পঞ্জীয়ক আৰু অংশ স্থানান্তৰ প্ৰতিনিধিসকলে ইয়াৰ ব্যৱসায় চলোৱাৰ ক্ষেত্ৰত সমন্বয়, বিধিসন্মত তৎপৰতা, যথোপযুক্ত যত্ন অটুত ৰাখিব লাগে। ভুল প্ৰতিনিধিত্ব, সংঘাত আৰু ইয়াৰ স্বাৰ্থৰ পৰিপন্থী পৰিস্থিতি এৰাই চলিবলৈ তেওঁলোকে যুক্তিসংগত প্ৰচেষ্টা চলাব লাগে। তথ্য আৰু নথিপত্ৰবিলাকৰ ধাৰাবাহিকতা বজাই ৰখাটোও তেওঁলোকৰ দায়িত্ব।

(ঙ) **মোকলাই দিয়া বেংকাৰ (Bankers to issue) ঃ** SEBI (Bankers to an Issue) Regulation, 1994ৰ অনুচ্ছেদ ১৩ত বেংকাৰ (Banker to an issue)ৰ বিষয়ে উল্লেখ আছে। Banker to an issueৰ অৰ্থ হৈছে নিম্নোল্লিখিত সকলো বা যিকোনো কাম-কাজ সম্পাদন কৰা একোটা সূচীভুক্ত বেংক ঃ

(ক) আবেদন আৰু আবেদনৰ ধন গ্ৰহণ।

(খ) আবণ্টন বা বিচৰণৰ ধন (call money) গ্ৰহণ।

(গ) আবেদৰ ধন ওভতাই দিয়া।

(ঘ) লভ্যাংশ বা interest warrant পৰিশোধ।

বেংকবিলাকে মূলধন একত্ৰিত কৰা, প্ৰতিভূতি মোকলাই দিয়া, প্ৰতিভূতিৰ বাবে আবেদন সংগ্ৰহ কৰা ইত্যাদিৰ দৰে বিভিন্ন কাম কৰিব পাৰে। নথিপত্ৰ যুগুত কৰা আৰু অগ্ৰহতিৰ তথ্যৰ যোগান ধৰাটো বেংকৰ দায়িত্ব। কিন্তু কোম্পানীয়ে বেংকৰ সৈতে এক চুক্তি কৰিব লাগে। অধিনিয়ম ১২ৰ অধীনত বেংকাৰে (banker to an issue) তাৰিখ, নাম, ওভতাই দিয়া ধনৰ পৰিমাণ, পৰিশোধকৰা লভ্যাংশ আৰু সুতৰ হাৰ, বিনিয়োগকাৰীৰ পৰা পোৱা আবেদনৰ সময়, নম্বৰ আদি লিখি ৰাখিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ প্ৰাথমিক বজাৰৰ তিনিজন মধ্যস্থতাকাৰীৰ উল্লেখ কৰক।

(১) .....

(২) .....

(৩) .....

সাধাৰণ বজাৰৰ মধ্যস্থতাকাৰী (SECONDARY MARKET INTERMEDIARIES) ঃ

(ক) **পৰ্টফলিঅ' মেনেজাৰ (Portfolio Manager) ঃ** Portfolio শব্দটোৰ অৰ্থ হৈছে কোনো

লোকে আহৰণ কৰা প্ৰতিভূৰ্তি (security)ৰ সৰ্বমুঠ পৰিমাণ আৰু Portfolio Manager জন হৈছে এনে লোক যিজনে প্ৰতিভূতিধাৰীৰ সৈতে এক ব্যৱস্থাপনাৰ অধীনতপ্ৰতিভূতিৰ এনে portfolioৰ পৰিচালনা আৰু প্ৰশাসনক পৰামৰ্শ বা নিৰ্দেশ দিয়ে। একোজন clientৰ হৈ portfolio manager জনে এক চুক্তিত আবদ্ধ হ'ব লাগে আৰু ইয়াত অন্তৰ্ভুক্ত থাকেঃ

(১) বিনিয়োগৰ উদ্দেশ্যৰাজি,

(২) বিনিয়োগৰ ক্ষেত্ৰ,

(৩) খত বা চুক্তিপত্ৰৰ ধৰণ,

(৪) প্ৰতিভূতিৰ জিম্মা,

(৫) বিনিয়োগকাৰীৰ হিচাপ-নিকাচৰ কাৰ্যপ্ৰণালী ইত্যাদি।

(ক) আবেদনকাৰীজন এজন body corporate আৰু কাৰ্যালয়ৰ বাবে উপযুক্ত স্থানৰ দৰে আন্তঃগাঁথনি থাকে।

(খ) আবেদনকাৰীৰ প্ৰধান বিষয়াজনৰ বৃত্তিমূলক অৰ্হতা যেনে কোনো এখন স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা আইন, বিত্ত, হিচাপ-নিকাচ, পৰিচালনাৰ দৰে অৰ্হতা থাকিব লাগে।

(গ) মূলধনৰো আৱশ্যক। Portfolio Manager জনৰ সমুদায় মূলধন কমেও পঞ্চাশ লাখ টকা থাকিব লাগিব।

(ঘ) বিনিয়োগকাৰীৰ স্বাৰ্থত আবেদনকাৰীক প্ৰমাণপত্ৰ মঞ্জুৰ কৰিব লাগিব।

(ঙ) আবেদনকাৰীৰ কমেও দুজন লোক থাকিব লাগে যাৰ portfolio manager বা stock broker ইত্যাদি হিচাপে কাম কৰাৰ কমেও পাঁচ বছৰৰ অভিজ্ঞতা থাকিব লাগে।

Reserve Bank of India, 1934ৰ নিয়মাৱলীৰ অধীনত clientৰ পুঁজিৰ ক্ষেত্ৰত portfolio manager জনে এক বিশ্বাসযোগ্য সক্ষমতাৰে কাম কৰিব লাগে। Clientৰ লিখিত অনুমতিৰ ওপৰত নিৰ্ভৰ কৰি clientৰ হৈ প্ৰতিভূতিৰ ওপৰত তেওঁ ঋণ দিয়াৰ ব্যৱস্থা কৰিব। Clientৰ পুঁজি বা প্ৰতিভূতিৰ পৰা তেওঁ কোনোধৰণৰ প্ৰত্যক্ষ বা পৰোক্ষ মুনাফা অৰ্জন কৰিব নোৱাৰে। Portfolio Manager জনে সমন্বয়, সততা আৰু বিধিসম্মত কাম-কাজৰ উচ্চ মান বজাই ৰাখিব লাগে। কোনোধৰণৰ অশুভ প্ৰতিযোগিতা, কাৰ্যকলাপৰ ক্ষেত্ৰত তেওঁ কোনো মন্তব্য কৰিব নালাগে। আইনৰ প্ৰয়োগৰ ওপৰত দৃষ্টি ৰাখিবলৈ তেওঁ এজন প্ৰয়োগ বিষয়া (compliance officer) নিয়োগ কৰিব লাগে।



সমুদায় মূলধন ঃ ইয়াত অৰ্থ হৈছে পৰিশোধ কৰা ইকুইটী মূলধনৰ সৰ্বমুঠ মূল্যৰ সৈতে মুক্ত সংৰক্ষণ যিটো হৈছে সচৰাচৰ আৰু অনিৰ্দ্ধাৰিত ব্যয়ৰ সৰ্বমুঠ মূল্য, যি ব্যয় লিখিত ৰূপত নাথাকে।

(খ) ষ্টক দালাল আৰু উপ-দালাল (Stock Brokers and Sub-Brokers) ঃ দালাল বা ষ্টক ব্ৰকাৰসকল হৈছে স্বীকৃতিপ্ৰাপ্ত ষ্টক এক্সচেঞ্জৰ সদস্য যি প্ৰতিভূতি (security)ৰ ক্ৰয়-বিক্ৰয় আৰু অন্যান্য লেনদেন কৰে। একোটা স্বীকৃতিপ্ৰাপ্ত ষ্টক এক্সেচেঞ্জৰ প্ৰতিভূতিৰ লেনদেন কৰোঁতে এইটো বাধ্যতামূলক যে তেওঁ SEBIৰ এজন ষ্টক ব্ৰকাৰ হিচাপে

পঞ্জীভুক্ত হ'ব লাগিব। দালাল বা ষ্টক ব্ৰকাৰে সাধাৰণ বজাৰ (secondary market) ও প্ৰতিভূতিৰ লেনদেন কৰে। প্ৰতিভূতি ক্ৰয়-বিক্ৰয় কৰাৰ পূৰ্বে ষ্টক ব্ৰকাৰে তেওঁৰ clientৰ সৈতে এক চুক্তি কৰিব লাগে। প্ৰতিভূতিৰ ক্ৰয় অথবা বিক্ৰয় কৰিবলৈ কোনো লোকৰ একোজন পঞ্জীভুক্ত ব্ৰকাৰ বা ছাব-ব্ৰকাৰ (উপ-দালাল)ৰ ওচৰত client account থাকিব লাগে আৰু এনে ব্ৰকাৰ বা ছাব-ব্ৰকাৰৰ জৰিয়তে লেনদেন কৰিব লাগে। লেনদেনৰ বাবদ ব্ৰকাৰ বা ছাব ব্ৰকাৰে দালালিৰ বক্‌চিচ (brokerage commission) লয়।

উপ-দালাল বা sub-broker-এ ষ্টক দালালৰ হৈ প্ৰতিনিধি হিচাপে কাম কৰে। উপ-দালালে প্ৰতিভূতিৰ ক্ৰয় বিক্ৰয়ত বিনিয়োগকাৰীক সহায় কৰে। দালাল আৰু উপ-দালাল উভয়ৰে SEBIয়ে মঞ্জুৰ কৰ পঞ্জীয়নৰ প্ৰমাণ পত্ৰ থাকে। দালাল আৰু উপ-দালাল উভয়ে আইনৰ বিধি-বিধান, উপবিধিত উল্লিখিত অনুশাসনমূলক ব্যৱস্থাৱলী মানি চলিব লাগে। পঞ্জীয়নৰ প্ৰমাণপত্ৰ মঞ্জুৰ কৰাৰ পূৰ্বে SEBIয়ে আবেদনকাৰীৰ ষ্টক এক্সেচেঞ্জৰ সদস্য হোৱাৰ যোগ্যতা আছে নে নাই পৰীক্ষা কৰে। কাৰ্যালয়ৰ বাবে উপযুক্ত ঠাইৰ দৰে আৱশ্যকীয় আন্তঃ গাঁথনি আছে নে নাই SEBIয়ে তাকো পৰীক্ষা কৰে। আবেদনকাৰীয়ে এনেধৰণৰ আৱশ্যকতাবিলাক পূৰণ নকৰিলে SEBIয়ে তেওঁৰ সদস্য পদ নাকচ কৰিব পাৰে আৰু এনেদৰে নাকচ কৰাৰ কাৰণ উল্লেখ কৰি SEBIয়ে ত্ৰিশ দিনৰ ভিতৰত সংশ্লিষ্ট ষ্টক এক্সচেঞ্জ আৰু আবেদনকাৰীৰ সৈতে যোগাযোগ কৰে। কিন্তু, SEBIয়ে একোখন আবেদন পুনৰ বিবেচনাও কৰিব পাৰে।

উপ-দালালে ষ্টক ব্ৰকাৰৰ পৰা পোৱা Form-Cত পত্ৰসহ Form-Bও এখন আবেদন স্বীকৃতিপ্ৰাপ্ত ষ্টক এক্সচেঞ্জত দিব লাগে। এই আবেদনৰ ভিত্তিত তেওঁক এজন সদস্য হিচাপে অনুমোদন জনোৱা হয়। আবেদনকাৰী নিম্নোল্লিখিত পঞ্জীয়নৰ বাবে অৰ্হতাসম্পন্ন হ'ব লাগে ঃ

(ক) কোনো ব্যক্তিৰ ক্ষেত্ৰত তেওঁৰ বয়স ২১ বছৰৰ কম হ'ব নালাগে। কোনো অপৰাধৰ বাবে দোষী সাব্যস্ত হ'ব নালাগে, উপযুক্ত আৰু সঠিক লোক হ'ব লাগে। তেওঁ কমেও দ্বাদশ শ্ৰেণী বা সম পৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে।

(খ) Body corporate বা Partnership firmৰ ক্ষেত্ৰত সঞ্চালকসকল বা অংশীদাৰসকল SEBIয়ে উল্লেখ কৰা আৱশ্যকতাবিলাকৰ সৈতে একমত হ'ব লাগিব।

উপ-দালালসকলে আন কেতবোৰ বাধ্যবাধকতা মানি চলিব লাগে, যেনে Schedule III অনুসৰি মাছুল পৰিশোধ কৰা, ষ্টক ব্ৰকাৰৰ সৈতে চুক্তিবদ্ধ হোৱা, Schedule IIৰ আচৰণবিধি মানি চলা, ষ্টক এক্সচেঞ্জ সকলো নীতি নিয়ম মানি চলা ইত্যাদি। অধিনিয়ম ১৭ আৰু ১৮ৰ অধীনত উপ-দালালসকলে হিচাপ-নিকাচৰ বহী যুগুত কৰিব লাগে।

প্ৰতিজন দালালে প্ৰয়োগ বিষয়া (Compliance officer) নিযুক্তি দিব লাগে যিজনে

SEBIৰ দ্বাৰা জাৰি কৰা আইন, নীতি-নিয়ম, বিধি-বিধান ইত্যাদিৰ প্ৰয়োগ পৰ্যবেক্ষণ কৰিব।

(গ) **জিম্মাদাৰ (Custodian) ঃ** প্ৰতিভূতিৰ জিম্মাদাৰ মানে হৈছে একোজন clientৰ প্ৰতিভূতিৰ সৈতে জড়িত জিম্মাদাৰী বা ৰক্ষণাবেক্ষণৰ সেৱা আগবঢ়োৱা বা সোন বা সোণৰ সৈতে সম্পৰ্ক থকা চুক্তিপত্ৰৰ ৰক্ষণাবেক্ষণ দিয়া লোক। জিম্মাদাৰী হিচাপ-নিকাচৰ খতিয়ান ৰাখি তেওঁলোকে নিজৰ কাৰ্য সম্পাদন কৰে। প্ৰতিভূতিৰ ক্ষেত্ৰত ইবিলাকৰ জিম্মাদাৰে একোজন clientৰ হিচাপ-নিকাচ চোৱা-চিতা কৰে। প্ৰতিভূতিৰ জিম্মাদাৰ হিচাপে এনে ধৰণৰ কাম-কাজ কৰিব বিচৰা যিকোনো লোকে পঞ্জীয়নৰ প্ৰমাণপত্ৰ মঞ্জুৰ কৰিবলৈ SEBIত আবেদন জনাব লাগে। প্ৰধান আৱশ্যকতাবিলাক (অধীনিয়ম ৭ (১) ত উল্লিখিত) আবেদনকাৰীয়ে পূৰণ কৰিব লাগে, তেওঁৰ কমেও ৫০ কোটি টকাৰ সমুদায় মূলধন থাকিব লাগে। আবেদনকাৰীৰ আৱশ্যকীয় আন্তঃগাঁথনি থাকিব লাগে আৰু প্ৰতিভূতি, সোণ অথবা সোণ সম্পৰ্কীয় চুক্তি সম্বন্ধে থকা আইনৰ বিধি-বিধান মানি চলিব লাগে। আবেদনকাৰী এজন সক্ষম লোক হ'ব লাগে আৰু প্ৰমাণ পত্ৰৰ মঞ্জুৰী বিনিয়োগকাৰীৰ স্বাৰ্থত হ'ব লাগে। জিম্মাদাৰে পৰিদৰ্শনমূলক কাম-কাজ যেনে— হিচাপ-নিকাচ, প্ৰতিভূতিৰ তত্ত্বাৱধান ইত্যাদিৰ পৰিদৰ্শন কৰাতো অন্যতম কৰ্তব্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ সাধাৰণ বজাৰৰ তিনিজন মধ্যস্থতাকাৰী উল্লেখ কৰক।

(১) .....

(২) .....

(৩) .....



৩.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

- Portfolio শব্দটোৰ অৰ্থ হৈছে কোনো লোকে আহৰণ কৰা প্ৰতিভূতি (security)ৰ সৰ্বমুঠ পৰিমাণ আৰু portfolio manager জন হৈছে এনে লোক যিজনে প্ৰতিভূতিধাৰীৰ সৈতে এক ব্যৱস্থাপনাৰ অধীনত প্ৰতিভূতিৰ এনে portfolioৰ পৰিচালনা আৰু প্ৰশাসনক পৰামৰ্শ বা নিৰ্দেশ দিয়ে।

- মূলধনী বজাৰৰ খত পত্ৰবিলাকক তিনিটা শাখাত ভগাব পাৰি যেনে— বিশুদ্ধ (pure), দ্বিজাতীয় (hybrid) আৰু উপজাত (derivatives)।
- বৰ্তমান ভাৰতত তিনিবিধ কৰ্জাখত (debenture) পোৱা যায়, যেনে— ৩৬ মাহৰ পাছত পৰিৱৰ্তন কৰিব পৰা কৰ্জাখত, ৩৬ মাহৰ ভিতৰত ইচ্ছামতে পৰিৱৰ্তন কৰিব পৰা কৰ্জাখত আৰু ১৮ মাহৰ ভিতৰত বাধ্যতামূলকভাৱে পৰিৱৰ্তনীয়ভাৱে কৰ্জাখত।
- ইচ্ছাধীন চুক্তিবিলাক দুই ধৰণৰ, ওভতাই বিচৰাৰ ইচ্ছা (call option) আৰু ৰাখি থোৱাৰ ইচ্ছা (put option)।
- মূলধনী বজাৰৰ দুটা অংশ আছে, প্ৰতিভূতিৰ বজাৰ (securities market) আৰু ধাৰে লোৱা আৰু দিয়াৰ অন্যধৰণৰ বজাৰ (other forms of lending and borroming)।
- মাৰ্চেণ্ট বেংকাৰসকল হৈছে প্ৰতিভূতি মোকলাই দিয়াৰ কামত জড়িত থকা লোক। এওঁলোকে মোকলাই দিয়া কোম্পানীৰ প্ৰবন্ধক বা পৰামৰ্শদাতা হিচাপে কাম কৰে।
- বীমাচুক্তি (underwriting) হৈছে প্ৰতিভূতি মোকলাই দিয়া কোম্পানী আৰু ভৱিষ্যতৰ আশ্বাস দিয়া পক্ষৰ মাজৰ এক চুক্তি। এই চুক্তিৰ জৰিয়তে এক নিৰ্দ্ধাৰিত পৰিসৰলৈকে অংশ বা কৰ্জাখত বা অন্যান্য প্ৰতিভূতি ল'বলৈ দিয়া হয়।
- প্ৰতিভূতিৰ ক্ৰয়-বিক্ৰয়ৰ পূৰ্বে ষ্টক ব্ৰকাৰে তেওঁৰ clientৰ সৈতে এক চুক্তিত আবদ্ধ হ'ব লাগে।



৩.৭ অধিক জানিবলৈ (FURTHER READINGS)

১) Batra G.S. (2002). Financial services and markets. New Delhi, Deep and Deep Publication Pvt. Ltd.

২) Mishkin,Frederic S. (2007) Financial Markets and Institutions. New Delhi, Pearson Education Ltd.

৩) Khan, M. Y. (2007). Indian Financial System. New Delhi. Tata McGraw Hill.

৪) Pathak, Bharati V (2006). The Indian Financial System : Markets, institutions and services. New Delhi, Pearson Education Ltd.

৫) Srivastava, R.M. (2009). Management of Indian financial institutions. New Delhi, Himalaya Publishing House.

৩.৮ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰঃ প্রাথমিক বজাৰৰ তিনিজন মধ্যস্থতাকাৰী হৈছে—

(ক) মার্চেণ্ট বেংকাৰ বা লীড মেনেজাৰ

(খ) বীমাকর্তা (গ) কর্জাখতৰ জিম্মাদাৰ

২ নং প্রশ্নৰ উত্তৰঃ সাধাৰণ বজাৰৰ তিনিজন মধ্যস্থতাকাৰী হৈছে—

(ক) পর্টফলিঅ' মেনেজাৰ

(খ) ষ্টক ব্রকাৰ আৰু ছাব-ব্রকাৰ

(গ) জিম্মাদাৰ

৩.৯ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ঃ পর্টফলিঅ' মেনেজাৰৰ ভূমিকা আৰু বাধ্যবাধকতাবিলাকৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ মার্চেণ্ট বেংকাৰ বুলিলে কি বুজে? প্রাথমিক বজাৰৰ এজন মধ্যস্থতাকাৰী হিচাপে এওঁৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ মূলধনী বজাৰ বুলিলে কি বুজে? প্রাথমিক বজাৰৰ ভিন ভিন মধ্যস্থতাকাৰীসকল কোন?

প্রশ্ন ৪ঃ চমুটোকা লিখক ঃ

(ক) জিম্মাদাৰ, (খ) বীমাকর্তা, (গ) কর্জাখতৰ জিম্মাদাৰ,

(ঘ) পঞ্জীয়ক আৰু অংশ স্থানান্তৰ প্রতিনিধি, (ঙ) মোকলাই দিয়া বেংকাৰ,

(চ) ষ্টক ব্রকাৰ আৰু ছাব-ব্রকাৰ।

*** ***** ***